# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-05-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত উচ্চ পদস্থ বিষয়াসকলৰ সৈতে ৰাজ্যত সম্প্ৰতি ৰূপায়ণ হৈ থকা কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সন্দৰ্ভত পৰ্যালোচনা কৰে। এই প্ৰকল্পসমূহ সম্পূৰ্ণ হ'লে অসমৰ আন্তঃগাঁথনি, জনসেৱা আৰু সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত ৰাজ্যখনে নতুন গতি লাভ কৰিব বুলি ড° শৰ্মাই উল্লেখ কৰে।

মুখ্যমন্ত্ৰীগৰাকীক নতুন দিল্লীৰ অসম ভৱনত গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ সঞ্জয় কুলশ্ৰেষ্ঠই সাক্ষাৎ কৰে। বৈঠকত ৰাজ্যৰ সৰ্বাঙ্গীন প্ৰগতি আৰু আন্তঃগাথনি উন্নয়নৰ যাত্ৰাত প্ৰতিষ্ঠানটোৱে আগবঢ়াব পৰা সহযোগ তথা কৌশলগত অংশীদাৰিত্বৰ দিশসমূহৰ বিষয়ে আলোচনা কৰা হয়।
ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে চৰ্দাৰ পেটেল মাৰ্গত নিৰ্মিয়মান অসম ভৱনৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। ড° শৰ্মাই গুণগত মান বৰ্তাই ৰাখি নিৰ্ধাৰিত সময়ত ভৱনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। পৰিদৰ্শনৰ কালছোৱাত মুখ্যমন্ত্ৰীৰ সৈতে অসম ভৱনৰ আৱাসী আয়ুক্ত কবিতা পদ্মনাভনো উপস্থিত থাকে। এই অসম ভৱনে ৰাষ্ট্ৰীয় ৰাজধানীলৈ যোৱা অসমৰ লোকসকলৰ বাবে উন্নত সুবিধা প্ৰদান কৰাৰ লগতে নতুন দিল্লীত অসমৰ স্থিতিও শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০

দেশৰ আন বিভিন্ন স্থানৰ লগতে অসমতো আজি **ছানডেজ অন চাইকেল** শীৰ্ষক কাৰ্যসূচী উদযাপন কৰা হয়। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান– আই আই টি গুৱাহাটীত আজি ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ উদ্যোগত এই কাৰ্যসূচী ৰূপায়ন কৰা হয়। ২০৩০ বৰ্ষত দেশত হ'বলগীয়া কমনৱেল্থ গেমছৰ লগত সংগতি ৰাখি সজাগতামূলক চাইকেল সমদল উলিওৱা হয়। উল্লেখযোগ্য যে আই আই টি গুৱাহাটীৰ পৰা উলিওৱা আজিৰ এই কাৰ্যসূচীত ৩৫০ গৰাকী চাইক্লিষ্টে অংশগ্ৰহণ কৰে। ফিট ইণ্ডিয়া **ছানডেজ অন চাইকেলৰ** ৭৫ সংখ্যক এই বিশেষ সংস্কাৰণটো ফিটনেছ আৰু ক্ৰীড়াত অংশগ্ৰহণৰ প্ৰচাৰৰ বাবে দেশজুৰি উদযাপন কৰা হয়। আজিৰ এই কাৰ্যসূচী সমগ্ৰ দেশতে ৮ হাজাৰৰো অধিক স্থানত অনুষ্ঠিত হয়। আহমেদাবাদৰ লগতে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ সকলো আঞ্চলিক কেন্দ্ৰতে আজি কমনৱেলথ গেমছ শীৰ্ষক এখন বিশেষ প্ৰদৰ্শনীও অনুষ্ঠিত হয়।

আনহাতে অসম, মেঘালয় সীমান্তৱৰ্তী হেলিডেগঞ্জতো আজি Fit India World Cycle Day আৰু স্বচ্ছ ভাৰত স্বাস্থ্য ভাৰত শীৰ্ষক সজাগতা কাৰ্যসূচী ৰূপায়ন কৰা হয়। ১৮৩ নম্বৰ বি এছ বেটেলিয়নৰ

উদ্যোগত হেলিডেগঞ্জ বি এছ্ এফ কেম্পৰ পৰা এই উপলক্ষে উলিওৱা চাইকেল সমদলত বহুসংখ্যক বি এছ্ এফ জোৱানে অংশগ্ৰহণ কৰে। হেলিডেগঞ্জ বজাৰ সংলগ্ন বিভিন্ন পথ অতিক্ৰম কৰা এই সমদলৰ জৰিয়তে স্বাস্থ্য সচেতনতা, শাৰীৰিক সক্ষমতা বৃদ্ধি আৰু পৰিবেশৰ সুৰক্ষাৰ ক্ষেত্ৰত চাইকেল ব্যৱহাৰৰ গুৰুত্বৰ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰা চেষ্টা কৰা হয়।

ইয়াৰ পাছতে, স্বচ্ছ ভাৰত, স্বাস্থ্য ভাৰত শীৰ্ষক সজাগতা পদযাত্ৰা উলিওৱা হয়। এই কাৰ্যসূচীত বি এছ্ এফৰ মহিলা জোৱানসকলেও অংশগ্ৰহণ কৰে।

০০০০

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয় স্থানান্তৰৰ প্ৰতিবাদ তথা প্ৰস্তাৱিত বিজ্ঞান যাদুঘৰ শিৱসাগৰতে স্থাপনৰ দাবীত আজি ৰংপুৰ জ্যোতি ক্লাৱত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। বৃহত্তৰ শিৱসাগৰ নাগৰিক মঞ্চৰ উদ্যোগত আৰু শিৱসাগৰবাসীৰ সহযোগত আয়োজিত এই সভাত ভালেমান সমাজ সচেতন ব্যক্তি তথা বিশিষ্ট নাগৰিক উপস্থিত থাকে। তেওঁলোকে জিলা আয়ুক্তৰ কাৰ্যালয় শিৱসাগৰ সমষ্টিৰ পৰা স্থানান্তৰৰ পৰিকল্পনাৰ তীব্ৰ বিৰোধিতা কৰে। এইক্ষেত্ৰত শিৱসাগৰৰ বিধায়কক বিহিত ব্যৱস্থা লোৱাৰ বাবে তেওঁলোকে আহ্বান জনায়।

০০০০

চিৰাং জিলাৰ ঢালিগাওঁৰ বৰতালুৰা গাঁৱত আজি বিয়লি আৰক্ষীয়ে অভিযান চলাই এজন লোকৰ বাসগৃহৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্য আৰু ভাং জব্দ কৰে। আমাৰ কালগাওঁৰ সংবাদদাতাই জনোৱা মতে, আৰক্ষীয়ে আইনাল শ্বেখ নামৰ লোকজনৰ ঘৰত অভিযান চলাই ৬ টা মাদক দ্ৰব্য ভৰ্তি কনটেইনাৰৰ লগতে প্ৰায় এক কিলোগ্ৰাম ভাং জব্দ কৰে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে আইনাল শ্বেখৰ পুত্ৰ ইছলাম আলীৰ লগতে ৩ জন সৰবৰাহকাৰীক আটক কৰে। ধৃত লোককেইজনৰ পৰা কেইবাটাও মোবাইল ফোন আৰু নগদ ধন জব্দ কৰা হয়।

০০০০

গুৱাহাটী মহানগৰ ডবা প্ৰতিযোগিতাৰ ৯ বছৰ অনুৰ্ধ শাখাত ৰেয়ান নবিছে ল'ৰাৰ শাখাত আৰু আদবিকা গিৰিয়ে ছোৱালীৰ শাখাত ছেম্পিয়নৰ খিতাপ দখল কৰিছে। ৰেয়ানে ছটা ৰাউণ্ডৰ পৰা সম্পূৰ্ণ ৬ পইণ্ট সংগ্ৰহ কৰি ছেম্পিয়ন হোৱাৰ বিপৰীতে ঋদ্ধিমান ভূঞাই ৫ পইণ্ট লাভ কৰি দ্বিতীয় স্থানত থাকে। একেদৰে ছোৱালীৰ শাখাত আদবিকা গিৰিয়ে পঞ্চম ৰাউণ্ডৰ অন্তত ৪ দশমিক ৫ পইণ্ট লাভ কৰি ছেম্পিয়ন হয়। দৰথি পাটগিৰিয়ে ৪ পইণ্টেৰে দ্বিতীয় স্থানত থাকে। কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতাখনত গুৱাহাটীৰ বিভিন্ন প্ৰান্তৰ ৬১ জন খেলুৱৈয়ে অংশ লৈছিল।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে -কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ২০৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দেলহী কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২০৩ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে প্ৰতিযোগিতাত আজি মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ৰাজস্থান ৰয়েলছে-মুম্বাই ইণ্ডিয়ানছক ৩০ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে নিৰ্ধাৰণ কৰি দিয়া ২০৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা হেৰুৱাই ১৭৫ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০

বজালী জিলাৰ বামাখাটা নিবাসী গ্ৰামোন্নয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা সমাজসেৱী মৃগাংক তালুকদাৰৰ আজি গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ